# REGIONAL NEWS UNIT
AKASHVANI, GUWAHATI
0000000000

**Date :** 01-01-2025
**Time :** 1715 Hrs

## *Assamese Evening Bulletin*

**- - - - - - - - - - - - - -**

নৱবৰ্ষ উপলক্ষে মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই আজি কইনাধৰাৰ ৰাজ্যিক অতিথিশালাত নতুন দিনৰ আলাপ নামেৰে এটা অনুষ্ঠানৰ আয়োজন কৰে। ইয়াত ৰাজ্যখনৰ কেইবাটাও সংবাদ প্ৰতিষ্ঠানৰ জ্যেষ্ঠ সম্পাদকৰ সৈতে মুখ্যমন্ত্ৰীয়ে মুকলি বাৰ্তালাপত ভাগ লয়। এই অনুষ্ঠানত উপস্থিত থকা আকাশবাণীৰ বিশেষ সংবাদদাতা ৰাজীৱ লোচন বৰঠাকুৰে জনোৱা মতে মুখ্যমন্ত্ৰী ড০ শৰ্মাই এই অনুষ্ঠানত ২০২৪ বৰ্ষত তেওঁৰ চৰকাৰখনৰ কেইবাটাও উল্লেখযোগ্য সফলতাৰ খতিয়ান দাঙি ধৰে। তেওঁ কয়, যে ৰাজ্যখনক সেউজীয়া ইন্ধনযুক্ত ৰাজহুৱা পৰিবহণ খণ্ডলৈ পৰিৱৰ্তন কৰাৰ বাবে তেওঁৰ চৰকাৰে গুৱাহাটী মহানগৰীত চলাচল কৰা বাছসমূহ বৈদ্যুতিক বাছলৈ পৰিৱৰ্তন কৰাৰ আঁচনি গ্ৰহণ কৰিছে। এই আঁচনিৰ অংশ হিচাপে আজি গুৱাহাটীৰ খানাপাৰাৰ আন্তঃৰাজ্যিক মিনি বাছ আস্থানত তেওঁ ৫৬ খন এনে বাছ ৰাইজৰ সেৱাত উৎসৰ্গা কৰে। অচিৰেই আৰু এশ খন এনে বাছ ৰাজ্যত প্ৰৱৰ্তন কৰা হ'ব বুলি মুখ্যমন্ত্ৰীগৰাকীয়ে প্ৰকাশ কৰে। ২০২৬ চনৰ ভিতৰত সেউজীয়া পৰিবহণ প্ৰৱৰ্তন কৰাৰ ক্ষেত্ৰত অসম দেশৰ ষষ্ঠখন ৰাজ্যৰূপে পৰিগণিত হ'ব বুলি ড০ শৰ্মাই মন্তব্য কৰে। সাম্প্ৰতিক ভূটান ভ্ৰমণৰ বিষয়ে উল্লেখ কৰি মুখ্যমন্ত্ৰীয়ে কয়, যে ভূটানৰ জলশক্তি ব্যৱহাৰ কৰি ১২০ কিলোৱাট ক্ষমতাসম্পন্ন দুটা জলবিদ্যুৎ প্ৰকল্প অসম চৰকাৰে নিৰ্মাণ কৰাত দেশখনৰ চৰকাৰে অনুমোদন দিছে। অসম ৰাজ্যিক বিদ্যুৎ পৰিষদে চলিত বিত্তীয় বছৰত ৬০ কোটি টকা লাভ অৰ্জন কৰিবলৈ সমৰ্থ হোৱাৰ কথা উল্লেখ কৰি মুখ্যমন্ত্ৰীয়ে কয়, যে এই লাভৰ ধন পৰ্যায়ক্ৰমে গ্ৰাহকসকলক ঘূৰাই দিয়াৰ বাবে ৰাজ্যখনত বিদ্যুতৰ মাচুল প্ৰতি ইউনিটত প্ৰথমে ডেৰ টকাকৈ আৰু পাছত আৰু এটকাকৈ হ্ৰাস কৰাৰ কথা চৰকাৰে বিবেচনা কৰিছে। ৰাজ্য চৰকাৰে অতিৰিক্ত ঋণ লৈছে নেকি বুলি সোধা প্ৰশ্নৰ উত্তৰত ড০ শৰ্মাই কয়, যে ৰাজ্যৰ মুঠ ঘৰুৱা উৎপাদন সমানুপাতিক হিচাপেহে ৰাজ্য চৰকাৰে ঋণ লৈছে। ২০১৪ চনলৈকে থকা অসম চৰকাৰৰ ঋণ সম্পূৰ্ণৰূপে পৰিশোধ কৰা হৈছে বুলি মুখ্যমন্ত্ৰীগৰাকীয়ে প্ৰকাশ কৰে। ৰাজ্য চৰকাৰৰ ২০২১ চনৰ বৈদ্যুতিক বাহন নীতি সম্পৰ্কত থকা আঁসোৱাহ দূৰ কৰাৰ বাবে অহা দুদিনৰ ভিতৰত তেওঁ ব্যৱস্থা গ্ৰহণ কৰিব বুলি সাংবাদিকৰ প্ৰশ্নৰ উত্তৰত মুখ্যমন্ত্ৰীগৰাকীয়ে সদৰি কৰে।

ooooo

ৰাজ্যৰ তৃতীয় আৰু চতুৰ্থবৰ্গৰ কৰ্মচাৰীসকলৰ পাৰস্পৰিক বদলিকৰণ প্ৰক্ৰিয়া সৰল কৰাৰ উদ্দেশ্যে 'স্বাগত সতীৰ্থ' শীৰ্ষক এটা প'ৰ্টেল আজি আনুষ্ঠানিকভাৱে মুকলি কৰা হয়। আজি গুৱাহাটীৰ কইনাধৰাৰ ৰাজ্যিক অতিথিশালাত আয়োজিত এটা অনুষ্ঠানত মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই এই প'ৰ্টেল আনুষ্ঠানিকভাৱে মুকলি কৰে। কৰ্মচাৰীসকলে আজিৰেপৰা অহা ২৮ ফেব্ৰুৱাৰীৰ ভিতৰত এই প'ৰ্টেলত বদলিকৰণৰ বাবে আবেদন কৰিব পাৰিব। সম গ্ৰেড পে' লাভ কৰা কৰ্মচাৰী, সম সেৱা বিধি কৰ্মচাৰী আৰু সম অৰ্হতা সম্পন্ন কৰ্মচাৰীৰ ক্ষেত্ৰতহে এই নিয়ম প্ৰযোজ্য হ'ব। এই সময়ছোৱাৰ ভিতৰত প'ৰ্টেলযোগে লাভ কৰা আবেদনসমূহ

স্বয়ংক্রিয় ব্যৱস্থাৰে বিবেচনা কৰা হ'ব আৰু ইয়াৰ বাবে যোগ্য কৰ্মচাৰীৰ পাৰস্পৰিক বদলি অহা ব'হাগ বিহুৰ পূৰ্বে সম্পন্ন হ'ব। ইয়াত কোনো মানৱীয় হস্তক্ষেপ নাথাকিব বুলি মুখ্যমন্ত্ৰী ড০ শৰ্মাই প্ৰকাশ কৰে।

০০০০০

অসম চৰকাৰৰ কৰ্মচাৰী আৰু তেওঁলোকৰ পৰিয়ালসমূহৰ নিৰাপত্তাৰ বাবে অসম চৰকাৰে প্ৰৱৰ্তন কৰা এখন অভিলাষী বীমা আঁচনিৰ আজি আনুষ্ঠানিকভাৱে শুভাৰম্ভ কৰা হয়। আজি খানাপাৰাৰ কইনাধৰাৰ ৰাজ্যিক অতিথিশালাত আয়োজিত এটা অনুষ্ঠানত মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মা আৰু তেওঁৰ মন্ত্ৰীসভাৰ সদস্যসকলৰ উপস্থিতিত ৰাজ্য চৰকাৰৰ সচিব লয়া মাদুৰী আৰু ভাৰতীয় ষ্টেট বেংক আৰু ইউনিয়ন বেংক অৱ ইণ্ডিয়াৰ মাণ্ডলিক মহাপ্ৰবন্ধকৰ মাজত এইমৰ্মে এখন বুজাবুজি চুক্তি স্বাক্ষৰিত হয়। এই বীমা আঁচনিৰ অধীনত কৰ্তব্যৰত অৱস্থাত কোনো কৰ্মচাৰীৰ দুৰ্ঘটনাজনিত কাৰণত মৃত্যু হ'লে অথবা জীৱনলৈ ঘূণীয়া হ'লে তেওঁৰ পৰিয়ালে এক কোটি টকা লাভ কৰিব। অন্য কাৰণত কৰ্মচাৰীৰ মৃত্যু হ'লে এই বীমা আঁচনিৰ অধীনত তেওঁৰ পৰিয়ালে ১০ লাখ টকাকৈ লাভ কৰিব।

০০০০০

ইংৰাজী নৱবৰ্ষ ২০২৫-ৰ আজি পহিলা দিন উপলক্ষে ৰাজ্যৰ বিভিন্ন প্ৰান্তত জনসাধাৰণৰ মাজত নৱবৰ্ষ উদযাপনৰ উৎসাহ-উদ্দীপনাই বিৰাজ কৰিছে। নতুন বছৰটোত নিজৰ লগতে পৰিয়ালৰ কুশল কামনা কৰি নেদেখাজনৰ আশীষ ল'বলৈ আজি পুৱাতেই ৰাজ্যৰ বিভিন্ন প্ৰান্তৰ ধৰ্মীয় স্থানসমূহত অগণন লোকৰ সমাগম হৈছে। গুৱাহাটী মহানগৰীৰ শক্তিপীঠ কামাখ্যা ধাম, উত্তৰ গুৱাহাটীৰ দৌল গোবিন্দ দেৱালয়, লতাশিল আৰু গণেশগুৰি গণেশ মন্দিৰৰ উপৰি অন্যান্য মঠ-মন্দিৰ আৰু ধৰ্মীয় স্থানসমূহত বহুলোক সমবেত হয়। ইপিনে, আত্মীয় বন্ধু-বান্ধৱ আৰু পৰিয়ালৰ সৈতে দিনটো আনন্দৰে অতিবাহিত কৰিবলৈ আজি বহুলোক বনভোজস্থলী আৰু নৈসৰ্গিক সৌন্দৰ্যৰে পৰিপূৰ্ণ স্থানসমূহত উপস্থিত হয়। গুৱাহাটীৰ অসম ৰাজ্যিক চিৰিয়াখানাত আজি পুৱাৰেপৰা বিৰ দি বাট নোপোৱা পৰিৱেশৰ সৃষ্টি হয়। তদুপৰি শ্ৰীমন্ত শংকৰদেৱ কলাক্ষেত্ৰ, গুৱাহাটী তাৰকাগৃহ, বিজ্ঞান সংগ্ৰাহালয়, ৰাজ্যিক সংগ্ৰাহালয় আৰু উদ্যানসমূহতো বহু লোকে আনন্দ উপভোগ কৰা দেখা যায়। নৱবৰ্ষক আদৰাৰ বাবে ৰাজ্যৰ ঠায়ে ঠায়ে বিভিন্ন অনুষ্ঠানৰো আয়োজন কৰা হয়। বৰপেটা জিলাৰ বিভিন্ন বনভোজথলীসমূহত নৱবৰ্ষ উদযাপনৰ বাবে আজি জনসমাগম দেখা যায়। জিলাখনৰ বাঘবৰ, বেকী নৈৰ বালিচাপৰি আদিত বহু লোকৰ সমাগম হয়। গোৱালপাৰা জিলাৰ শ্ৰীশ্ৰী সূৰ্যপাহাৰত আজি ভালেসংখ্যক বনভোজ দলে আনন্দ উপভোগ কৰে। জিলাখনৰ উৰপদ বিলৰ পাৰতো ভালেসংখ্যক পৰ্যটকৰ ভিৰ দেখা যায়।

০০০০০

সমাপ্ত